# মূখ্য ন্যায়িক দণ্ডাধীশৰ কাৰ্য্যালয় :: ধেমাজী :: অসম

ন্যায়িক বিষয়া আৰু কৰ্মচাৰীসকলৰ বৈঠক তাং- ৩১/১০/২০১৮

## কাৰ্য্যবিৱৰণী

আজি ইং ৩১/১০/২০১৮ তাৰিখে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আদেশ নং ২৪ ৰ হুকুম মতে ন্যায়িক বিষয়া আৰু কাৰ্য্যালয়ৰ কৰ্মচাৰীসকলৰ বৈঠকখন মূখ্য ন্যায়িক দণ্ডাধীশৰ সভাপতিত্বত অনুষ্ঠিত হয় । কাৰ্য্যালয়ৰ মূখ্য সহায়কৰ বক্তব্যৰে আৰম্ভ হোৱা বৈঠকখনিত অন্য ন্যায়িক দণ্ডাধীশসকলৰ লগতে কাৰ্য্যালয়ৰ কৰ্মচাৰীসকল উপস্থিত থাকে ।

মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ে বৈঠকৰ আৰম্ভণিতে কাৰ্য্যালয়ৰ কৰ্মচাৰীসকলৰ আচৰণ বিধি তথা সাজপাৰ বিধিৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবলৈ নিৰ্দেশ কৰে লগতে ইয়াৰ উপকাৰীতাৰ ওপৰত বিশেষ মন্তব্য কৰে । তেওঁ লগতে কাৰ্য্যালয়ত এখন প্ৰাচীৰ পত্ৰিকাৰ ব্যৱস্থা কৰিবলৈ জনায় আৰু আগ্ৰহী কৰ্মচাৰীসকলক অসমীয়া আৰু ইংৰাজী ভাষাৰ লিখনিৰে পত্ৰিকাখনি সমৃদ্ধ কৰিবলৈ কয় । ইয়াৰ উপৰিও কাৰ্য্যালয়ৰ চৌহদ পৰিষ্কাৰৰ কাৰ্য্যসূচী গ্ৰহণ কৰাৰ বিষয়ে অৱগত কৰে ।

GR বিভাগৰ বন্ধ দিনত কাম কৰা এটা নিৰ্দিষ্ট সময় নিৰ্ধাৰণৰ ওপৰত আলোচনা হয় । ইয়াৰ ওপৰিও Record Room ত Judge In-Charge ৰ দায়িত্ব প্ৰদানৰ ওপৰত মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ে গুৰুত্ব প্ৰদান কৰে । ইয়াৰ পাছতে নৱবৰ্ষৰ উপলক্ষে আয়োজিত হ'ব লগা বনভোজ আৰু প্ৰীতি খেল-ধেমালি আয়োজনৰ বিষয়ে আলোচনা কৰা হয় । লগতে অন্যান্য বিষয়ৰ ওপৰত আলোচনা কৰি জলযোগেৰে বৈঠকখনি ভংগ হয় ।

মূখ্য ন্যায়িক দণ্ডাধীশ
(ৰূপক ৰজক)

অতিৰিক্ত মূখ্য ন্যায়িক দণ্ডাধীশ
(অনুপ থানাল)

১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ
(মনিকা মিচং)

১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ
(নাজৰানা পাৰবিন (ৰেহমান)